**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
***- - - - - - - - - - - - - - - - - - - -***

১। বেংকসমূহক জমা আৰু ঋণ ৰাশিৰ সৈতে জড়িত মূল কামকাজসমূহত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সঞ্চালক মণ্ডলীৰ সৈতে হোৱা এখন বৈঠকত আহ্বান।

২। নিযুত মইনা আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰ-পত্ৰ বিতৰণ। আঁচনিখনে কন্যা সন্তানৰ শিক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিত্ত মন্ত্ৰী অজন্তা নেওগৰ মন্তব্য।

৩। বাংলাদেশৰ সাম্প্ৰতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তৰ ধুবুৰী আন্তঃৰাষ্ট্ৰীয় নদী বন্দৰৰ কাম-কাজ সাময়িকভাৱে স্থগিত।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ আহ্বান মৰ্মে দেশৰ বিভিন্ন অংশৰ লগতে ৰাজ্যৰ ভিন ভিন জিলাত **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী।

**আৰু**

৫। ৰাজ্য চৰকাৰৰ অভিলাষী ক্ৰীড়া অনুষ্ঠান **খেল মহাৰণ**ৰ দ্বিতীয় সংস্কৰণৰ আয়োজনৰ সিদ্ধান্ত।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সঞ্চালক মণ্ডলীৰ সৈতে বাজেটৰ পৰৱৰ্তী এখন নিয়মীয়া বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথোকথনত শ্ৰীমতী সীতাৰমনে মূল বেংকিং খণ্ডৰ ওপৰত গুৰুত্ব আৰোপৰ আৱশ্যকতাৰ বিষয়ত জোৰ দিয়ে। তেওঁ বেংকসমূহক জমা আৰু ঋণ ৰাশিৰ সৈতে জড়িত মূল কামকাজসমূহত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনায়। বৈঠকত অংশগ্ৰহণ কৰি আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কয় যে, বেংকসমূহ সুদৰ হাৰ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সম্পূৰ্ণৰূপে স্বাধীন। জমা ধন আৰু ঋণৰ সুদৰ হাৰ সময়ে সময়ে বিনিয়ন্ত্ৰণ কৰা হয় বুলি ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰগৰাকীয়ে প্ৰকাশ কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে চৰকাৰে বহু প্ৰতিক্ষিত বেংকিং নিয়ম সংশোধন কৰাৰ হকে কাম কৰি আছে। ইয়াৰে ভিতৰত সমবায় বেংকিং খণ্ডৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ পুনৰ গঠন সংশোধন অন্যতম বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। নাম মনোনয়নৰ ব্যৱস্থা উপভোক্ত অনুকূল পদক্ষেপ বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে কয় যে, এই পদক্ষেপৰ জৰিয়তে উপভোক্তাসকলে মনোনয়নৰ বিকল্প লাভ কৰাটো সুনিশ্চিত কৰা হ'ব আৰু মনোনীত ব্যক্তিয়ে সহজে যথোচিত

অধিকাৰৰ দাবী সাব্যস্ত কৰিব। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এই আইনখনত নিয়ম মানি চলা সন্দৰ্ভত অৱগত কৰোৱাৰ দিন প্ৰতিমাহৰ দ্বিতীয় আৰু চতুৰ্থ শুকুৰবাৰৰ পৰিৱৰ্তে প্ৰতিমাহৰ ১৫ তাৰিখ আৰু অন্তিমটো দিন ধাৰ্য্য কৰাৰ ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কেইটামান সংশোধনীৰে লোকসভাই অনুমোদন জনোৱাৰ পৰৱৰ্তী পৰ্যায়ত আজি এই বৈঠকখন অনুষ্ঠিত হয়।

0000000

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যেৰে অসম চৰকাৰে হাতত লোৱা **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ অধীনত আজি গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰীসকলৰ মাজত প্ৰ-পত্ৰ বিতৰণ কৰা হয়। প্ৰ-পত্ৰ বিতৰণ কৰি বিত্তমন্ত্ৰী অজন্তা নেওগে অসম চৰকাৰে হাতত লোৱা এই আঁচনিয়ে কন্যা সন্তানৰ শিক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোত গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক, দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষকে ধৰি বিভিন্ন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ইফালে বিধায়ক প্ৰশান্ত ফুকনেও আজি ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰীসকলৰ সবলীকৰণৰ দিশত বিশেষকৈ আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱৰা ছাত্ৰীসকলৰ মাজত বাল্য বিবাহৰ দৰে গুৰুতৰ সমস্যাসমূহ ৰোধ কৰিবলৈ অসম চৰকাৰৰ এই অভিলাষী আঁচনিখন ফলপ্ৰসূ হ'ব বুলি বিধায়ক ফুকনে আজি অনুষ্ঠানত মন্তব্য কৰে।

0000000

শাৰদীয় দুৰ্গোৎসৱৰ পাছতেই ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে প্ৰতিটো উন্নয়ন খণ্ডৰ লগতে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত কৰা হ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে তিনিচুকীয়াত সংবাদ মাধ্যমৰ আগত এই কথা সদৰি কৰি কয় যে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে অহা ১ ছেপ্তেম্বৰৰ পৰা ৭ ছেপ্তেম্বৰৰ ভিতৰত ৰাজ্যৰ উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া সম্পন্ন হ'ব। তেওঁ লগতে কয় যে, ৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ সংক্ষিপ্তৰূপ প্ৰকাশ পাব আৰু ৰাইজৰ কিবা ওজৰ-আপত্তি থাকিলে সেইসমূহ ১৭ ছেপ্তেম্বৰৰ ভিতৰত নিস্পত্তি কৰিব লাগিব। জনতাৰ ওজৰ-আপত্তিক লৈ যদি কিবা সংশোধন কৰিবলগীয়া হয়, তেন্তে সেয়া জিলা আয়ুক্তই সম্পূৰ্ণ কৰিব। আনহাতে ১৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ চূড়ান্ত তালিকা প্ৰকাশ পালে জিলা আয়ুক্তই সেই তালিকা ৰাজ্যিক নিৰ্বাচন আয়োগক প্ৰদান কৰিব। সেই অনুসৰি অহা ডিচেম্বৰৰ ভিতৰতেই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে।

0000000

বাংলাদেশৰ সাম্প্ৰতিক অস্থিৰ পৰিস্থিতিয়ে ভাৰত আৰু বাংলাদেশৰ মাজত বেপাৰ-বাণিজ্যতো প্ৰভাৱ পেলাইছে। চুবুৰীয়া ৰাষ্ট্ৰখনত আৰ্থ-সামাজিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত ধুবুৰী জিলাত ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় নদী বন্দৰ সাময়িকভাৱে বন্ধ হৈ আছে। উল্লেখযোগ্য যে ভাৰত আৰু ভূটান তথা বাংলাদেশৰ পূৰ্বৱৰ্তী চৰকাৰৰ সৈতে হোৱা এটা এলানী আলোচনামৰ্মে ভাৰতীয় অভ্যন্তৰীণ জলমাৰ্গ প্ৰাধিকৰণৰ ধুবুৰী জিলাত থকা এই নদী বন্দৰটোৰে ভূটানৰ পৰা বাংলাদেশৰ ছিলমাৰী নদী বন্দৰলৈ শিল পঠিওৱাৰ

সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু বাংলাদেশত উদ্ভৱ হোৱা অস্থিৰতাৰ বাবে ভাৰত চৰকাৰে সদ্যহতে সাময়িকভাৱে এই ব্যৱসায় বন্ধ কৰি ৰাখিছে।

ইফালে অন্তৰ্ৱৰ্তীকালীন চৰকাৰ গঠনৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ওবাইদুল হাছানে পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰখনৰ ছাত্ৰনেতাসকলে হাছান আৰু অন্যান্য ন্যায়াধীশসকলক আজি দুপৰীয়াৰ ভিতৰত পদত্যাগ কৰিবলৈ চূড়ান্ত সময়সীমা বান্ধি দিছে। এই অনুসৰি মুখ্য ন্যায়াধীশ হাছানে ন্যায়াধীশসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ সন্ধিয়া ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনৰ সৈতে আলোচনা কৰি পদত্যাগ পত্ৰ দাখিল কৰিব।

0000000

গোৱালপাৰা জিলাৰ গাঁও পঞ্চায়তসমূহত আজি জল জীৱন মিছনৰ হিতাধিকাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মতামত গ্ৰহণৰ লগতে পানীৰ সঠিক ব্যৱহাৰ, বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে **জল সচেতনতা অভিযান** ৰূপায়ণ কৰা হয়। গোৱালপাৰাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তাই ধূপধৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত জল জীৱন মিছনৰ পানীযোগান আঁচনি পৰিদৰ্শন কৰি হিতাধিকাৰী ৰাইজৰ মতামত গ্ৰহণ কৰে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘলৰ পৰিকল্পনা অনুসৰি জল জীৱন মিছন আঁচনিৰ জৰিয়তে ৰাইজে খোৱাপানী কিদৰে লাভ কৰি আহিছে সেই সম্পৰ্কে চালিজাৰি চোৱা হয়। জিলাখনৰ ৮১খন গাঁও পঞ্চায়তৰ ভিতৰত ৫২ খন গাঁও পঞ্চায়তৰ ৭৪টা পানী যোগান আঁচনি পৰিদৰ্শনৰ বাবে একোগৰাকীকৈ চৰকাৰী বিষয়া প্ৰেৰণ কৰা হয়।

0000000

গোলাঘাটত নিপক'ৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী খুলি দিয়াৰ ফলত দৈয়াং আৰু ধনশিৰি নদীৰ কাষৰীয়া বহু অঞ্চল জলমগ্ন হৈ পৰিছে। জিলাখনৰ মেৰাপানী, সৰুপথাৰ, খুমটাই, মৰঙি আদি অঞ্চলসমূহৰ ভালেকেইখন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। কেইবা হাজাৰ হেক্টৰ কৃষি পথাৰ পানীত নষ্ট হোৱাৰ লগতে মেৰাপানী অঞ্চলৰ অৰ্ধশতাধিক পৰিয়াল পানীৰ মাজত আবদ্ধ হৈ আছে। গোলাঘাট জিলা প্ৰশাসনে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ বাবে আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিছে।

0000000

সমগ্ৰ দেশৰ লগতে অসমতো কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ আহ্বান মৰ্মে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী হাতত লোৱা হৈছে। ৰাজ্যৰ বিভিন্ন জিলা প্ৰশাসনে এই উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ অধীনত চিৰাং জিলাৰ সদৰ কাজলগাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত জিলা ক্ৰীড়া আৰু শিক্ষা বিভাগৰ সহযোগত ত্ৰিৰংগা চাইকেল সমদল উলিওৱা হয়। চিৰাং জিলাৰ সহকাৰী আয়ুক্ত নৰজ্যোতি ভাগৱতীয়ে পতাকা জোঁকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই সমদলত জিলা ক্ৰীড়া বিষয়া বিক্ৰম দৈমাৰী, জিলা প্ৰশাসন তথা ক্ৰীড়া বিভাগৰ বিষয়ববীয়া আৰু শিক্ষকসকল উপস্থিত থাকে।

ধুবুৰীৰ জিলা আয়ুক্ত কাৰ্যালয়ত **হৰ ঘৰ তিৰংগা** উপলক্ষে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত দিবাকৰ নাথে সভাপতিত্ব কৰা সভাখনত অতিৰিক্ত আয়ুক্ত, প্ৰশাসনিক বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে। জিলা আয়ুক্তই বিভাগীয় মুৰব্বীসকলক **হৰ ঘৰ তিৰংগা** উপলক্ষে নিজৰ বিভাগত ত্ৰিৰংগাৰ সৈতে জড়িত কাৰ্যসূচী হাতত ল'বলৈ নিৰ্দেশ দিয়ে। প্ৰশাসনিক বিষয়াসকলক জনসাধাৰণৰ

সৈতে ভাব-বিনিময় কৰি অভিনৱ কাৰ্যসূচী হাতত লৈ হৰ ঘৰ তিৰংগাৰ ব্যাপক ৰূপত প্ৰচাৰ চলাবলৈও জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

ওদালগুৰি জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত অসম-অৰুণাচল আৰু ভূটান সীমান্তত অৱস্থিত পৰ্যটনস্থলী ভৈৰবকুণ্ডত সমাগত স্বাধীনতা দিৱস উদ্‌যাপনৰ অংশ স্বৰূপে শ্ৰমদান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ওদালগুৰি জিলা আয়ুক্ত জাৱিৰ ৰাহুল সুৰেশে শ্ৰমদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে আয়ুক্তগৰাকীৰ নেতৃত্বত ভৈৰবকুণ্ডৰ বনভোজস্থলীৰ চৌপাশ পৰিস্কাৰ কৰা হয়। আজিৰ এই শ্ৰমদান কাৰ্যসূচীত জিলাখনৰ আৰক্ষী অধীক্ষক পুস্কিন জৈনৰ লগতে ওদালগুৰি জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন তথা বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলেও শ্ৰমদান কৰে।

গোৱালপাৰা জিলাতো স্বাধীনতা দিৱস উদযাপনৰ পূৰ্ণ প্ৰস্তুতি চলি আছে। গোৱালপাৰা জিলা প্ৰশাসনে প্ৰতিবছৰৰ দৰে এইবেলিও চহৰখনৰ জে টি এছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস পালন কৰিব। অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, সৈনিক স্কুলৰ শিক্ষাৰ্থীৰ লগতে আন আন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে স্বাধীনতা দিৱসৰ কুচকাৱাজত অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত দিছপুৰৰ জনতা ভৱনত আয়োজিত এখন সভাত কাৰ্যসূচীসমূহ চূড়ান্ত কৰাৰ লগতে পৰ্যালোচনাও কৰা হয়। সভাত অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ আয়োজিত হ'ব লগা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীত গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক জীৱিকা সখীৰ দ্বাৰা সমগ্ৰ ৰাজ্যতে স্কুটী ৰেলী অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত অহা ১৩ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত **ত্ৰিৰংগ সমলয়** শীৰ্ষক দেশপ্ৰেমমূলক গীতৰ এটা অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই অনুষ্ঠানতে চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ে দেশপ্ৰেম আৰু বিকশিত অসমক বিষয়বস্তু হিচাপে অঁকা এখন বৃহৎ ত্ৰিৰংগ কেনভাছ প্ৰদৰ্শন কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। আনহাতে এই সভাত জনসংযোগ বিভাগক ঘৰে ঘৰে ত্ৰিৰংগ বাৰ্তা প্ৰচাৰৰ বাবে হৰ্ডিং লগোৱাৰ লগতে টেলিভিছন যোগে এই সন্দৰ্ভত প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। গুৱাহাটী পৌৰ নিগমৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানতে ত্ৰিৰংগ উত্তোলনৰ বাবে লগতে পাৰিলে অন্যকো একোখন জাতীয় পতাকা আগবঢ়োৱাৰ বাবে আহ্বান জনাবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০০

স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত কোকৰাঝাৰ জিলা কাৰাগাৰৰ অধীক্ষকৰ উদ্যোগত কয়দীসকলে আজি এটা ছাফাই অভিযান চলায়। কাৰাগাৰ অপৰাধীক বন্দী কৰি ৰখা কেন্দ্ৰৰ বিপৰীতে একপ্ৰকাৰৰ সংশোধনাগাৰহে বুলি মন্তব্য কৰি জিলা কাৰাগাৰৰ অধীক্ষক ৰবিৰাম ইংতিয়ে কয়দীসকলক বিভিন্ন ধৰণৰ উৎকৰ্ষ সাধনৰ কাৰ্যসূচীত নিয়োগ কৰাৰ সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। এই উদ্দেশ্যেৰে অধীক্ষকগৰাকীৰ উদ্যোগত কয়দীসকলে নিৰ্মাণ কৰা কিছুসংখ্যক ডাষ্টবিন আজি কোকৰাঝাৰ চহৰৰ বিভিন্ন স্থানত ৰখা হয়। শ্ৰী ইংতিয়ে আজিৰ কাৰ্যসূচীৰ সন্দৰ্ভত সাংবাদিকৰ সৈতে মত বিনিময় কৰি কয় যে, এনেধৰণৰ উদ্যোগে কয়দীসকলৰ কাৰাগাৰৰ পৰা মুক্তিলাভৰ পাছত সমাজৰ সৈতে মিলি থকাত সহায়ক হয়।

০০০০০০০

মহানগৰীৰ কৃত্ৰিম বান সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে জনসাধাৰণৰ পৰা পৰামৰ্শ গ্ৰহণৰ অৰ্থে এখন কাৰিকৰী সমিতি গঠন কৰিছে। কামৰূপ মহানগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা সমিতিয়ে এখন জাননীৰ জৰিয়তে জনাইছে যে মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ সন্দৰ্ভত

জনসাধাৰণে কিবা পৰামৰ্শ দিব বিচাৰিলে suggestionfloodmitigation@gmail.comত ই-মেইলযোগে অহা ২৪ আগষ্টৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

নগাঁও আৰক্ষীয়ে চলাই অহা ড্ৰাগছ বিৰোধী অভিযানত আজি চহৰখনৰ হেৰাপট্টিৰ পৰা নগদ ধন আৰু মাদক দ্ৰব্য জব্দ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি গোপন সূত্ৰ পম খেদি নগাঁও আৰক্ষীৰ এটা অভিযানকাৰী দলে হেৰাপট্টিত চলোৱা অভিযানটোত বৃহৎ পৰিমাণৰ নগদ ধনৰ সৈতে চাৰি বাকচ মাদক দ্ৰব্য মাটিৰ তলৰ পৰা উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত এজনী মহিলাসহ দুটা ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। সৰবৰাহকাৰীকেইটাৰ পৰা অধিক তথ্য লাভৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

সংগীত নাটক অকাডেমীৰ অমৃত বঁটাপ্ৰাপক ওজাপালি শিল্পী গুৰুপ্ৰসাদ ওজাৰ আজি বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। বৰপেটাৰ বিলৰটাৰি হাটীৰ বাসিন্দা ওজাৰ মৃত্যুৰ সময়ত বয়স আছিল ৯২ বছৰ। ওজাপালিৰ প্ৰসাৰ আৰু প্ৰচাৰত আত্মউৎসৰ্গা কৰা শিল্পীজনক ২০২২ চনত সংগীত নাটক অকাডেমীয়ে অমৃত বঁটাৰে সন্মানিত কৰিছিল।

০০০০০০০

পেৰিছ অলিম্পিকত ভাৰতৰ মল্লযোদ্ধা ৰিতিকা হুদাই কিৰ্গিস্তানৰ প্ৰতিদ্বন্দ্বী মেডেট কিজী আইপেৰীৰ হাতত ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত পৰাজয় বৰণ কৰিছে।

ইফালে গল্ফত অদিতি অশোক আৰু দীক্ষা ডাগৰে আজি মহিলাৰ শাখাৰ চূড়ান্ত দিনৰ খেলত অৱতীৰ্ণ হৈছে। উল্লেখযোগ্য যে কালি দুয়োগৰাকী ভাৰতীয় গল্ফ খেলুৱৈয়ে আশাপ্ৰদ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ নহ'ল। এতিয়ালৈকে ভাৰতে এটা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকেৰে সৰ্বমুঠ ৬টা পদক জয় কৰিবলৈ সমৰ্থ হৈছে। যোৱা নিশা ভাৰতৰ অমন শ্বেহৰাৱটে সুন্দৰ প্ৰদৰ্শনেৰে পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০০০

**খেল মহাৰণ**ৰ প্ৰথম সংস্কৰণৰ সফলতাৰ পাছত ৰাজ্য চৰকাৰে বহু প্ৰত্যাশিত ক্ৰীড়া অনুষ্ঠানটোৰ দ্বিতীয় সংস্কৰণ আয়োজন কৰিবলৈ আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। খেল মহাৰণে তৃণমূল পৰ্যায়ত খেলুৱৈসকলক চিনাক্ত কৰাত আশাপ্ৰদভাৱে সহায় কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই  দ্বিতীয় সংস্কৰণত ৰাজ্যখনৰ ক্ৰীড়া পৰিৱেশৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলি সদৰি কৰিছে।

০০০০০০০

**সমাপ্ত**